# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI
# 0000000000

**Date :** 16-07-2025
**Time :** 21-25 Hrs

## **ASSAMESE NIGHT BULLETIN**

**::::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী ড হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষ আৰু গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ বিষয়াসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত গুৱাহাটী মহানগৰীৰ আন্তঃগাথনি বিকাশ তথা সৌন্দৰ্যবৰ্ধনৰ বাবে গ্ৰহণ কৰিবলগীয়া বিভিন্ন পদক্ষেপ সন্দৰ্ভত আলোচনা কৰা হয়।

ড° শৰ্মাই আজি আন এখন বৈঠকত **কিতাপ পঢ়া বৰ্ষ** পদক্ষেপৰ অধীনত অগ্ৰগতি সন্দৰ্ভত শিক্ষা, বিত্ত আৰু অসম প্ৰকাশন পৰিষদৰ বিষয়াসকলৰ সৈতে পৰ্যালোচনা কৰে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে চলিত বৰ্ষক কিতাপ পঢ়া বৰ্ষ হিচাপে উদ্‌যাপন কৰিছে আৰু এই পদক্ষেপৰ অধীনত গ্ৰন্থমেলাৰ আয়োজন আৰু চৰকাৰী কৰ্মচাৰীক গ্ৰন্থ ক্ৰয় কৰিবলৈ উৎসাহিত কৰাৰ বাবে এহেজাৰগৰাকী যুৱ লেখকক ২৫ হাজাৰ টকাকৈ প্ৰদান কৰিছে। ইয়াৰ জৰিয়তে বিশেষকৈ যুৱচামৰ মাজত কিতাপ পঢ়াৰ সংস্কৃতি গঢ়ি তোলাৰ চেষ্টা কৰা হৈছে।

০০০০

কোকৰাঝাৰ জিলাৰ অভিভাৱক মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই আজি সন্ধিয়া মগুৰমাৰী গাঁৱত উপস্থিত হৈ নক্সালবাদীৰ সৈতে হোৱা সংঘৰ্ষত প্ৰাণ হেৰুওৱা কোব্ৰা বেটেলিয়নৰ জোৱান প্ৰাণেশ্বৰ কোঁচৰ পৰিয়ালক সাক্ষাৎ কৰে। তেওঁ শোক সন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। শ্ৰীব্ৰহ্মই অসম চৰকাৰে নিহত জোৱানজনৰ পৰিয়ালৈ ৫০ লাখ টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱাৰ লগতে কৰ্তব্যৰত অৱস্থাত মৃত্যু হোৱাৰ বাবে জোৱানজনৰ পৰিয়ালৰ যিকোনো এজন সদস্যক তৃতীয় বা চতুৰ্থ বৰ্গৰ চৰকাৰী চাকৰি প্ৰদান কৰিব বুলি প্ৰকাশ কৰে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, ঝাৰখণ্ডৰ বোকাৰু জিলাত সুৰক্ষা বাহিনী আৰু নক্সালবাদীৰ মাজত হোৱা সংঘৰ্ষত অসমৰ এগৰাকী জোৱানৰ লগতে দুজন নক্সালবাদী নিহত হয়। এই সংঘৰ্ষত নিহত হোৱা কোকৰাঝাৰৰ জোৱান প্ৰাণেশ্বৰ কোঁচ চি আৰ পি এফৰ ২০২ নম্বৰ কোব্ৰা ৰেজিমেণ্টত কৰ্মৰত আছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নিহত ছহিদগৰাকীলৈ শ্ৰদ্ধাৰ্ঘ নিবেদন কৰিছে। তেওঁ লগতে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ছহিদগৰাকীৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে।

০০০০

ৰাজ্যৰ কেইবাখনো জিলাত জাপানীজ এনকেফেলাইটিছ্‌ ৰোগে গুৰুতৰ ৰূপ ধাৰণ কৰাৰ পৰিপ্ৰেক্ষিতত স্বাস্থ্য বিভাগ তৎপৰ হৈ উঠিছে। বিভাগীয় সূত্ৰ অনুসৰি এই ৰোগত আক্ৰান্ত হৈ ৰাজ্যখনত এতিয়ালৈ কমেও ২৬ জন লোকৰ মৃত্যু হৈছে। উজনি আৰু নামনি অসমৰ কেইবাখনো জিলাৰ লগতে বৰাক উপত্যকাত মুঠ ২৫০ জন

লোক এই ৰোগত আক্ৰান্ত হৈছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে। চিৰাং জিলাত জাপানীজ এনকেফেলাইটিছ আৰু মেলেৰীয়া ৰোগত চলিত বছৰত কালি পৰ্যন্ত ৪১১ জন লোক আক্ৰান্ত হৈছে। ইয়াৰে ৪০৫ জন মেলেৰীয়াত আৰু ছজন লোক এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈছে। স্বাস্থ্য বিভাগে জিলাখনত ঔষধযুক্ত আঁঠুৱা বিতৰণৰ লগতে প্ৰতিষেধক স্প্ৰে কৰা, ধোঁৱা দিয়া আৰু সজাগতা কাৰ্যসূচী অব্যাহত ৰাখিছে। কাৰ্বি আংলঙত কালি এই ৰোগত আক্ৰান্ত হৈ দুগৰাকী ৰোগীয়ে প্ৰাণ হেৰুৱায়। বৰ্তমান ডিফু চিকিৎসা মহাবিদ্যালয়ত এই ৰোগত আক্ৰান্ত হৈ ৯ টি শিশু চিকিৎসাধীন হৈ আছে বুলি জানিব পৰা গৈছে। ৰোগৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পোৱালৈ লক্ষ্য ৰাখি জনসাধাৰণক সাৱধানতামূলক ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে জিলা স্বাস্থ্য বিভাগে আহ্বান জনাইছে। হোজাই জিলাতো ৩ জন লোক এই ৰোগত আক্ৰান্ত হৈছে।

০০০০

নগাওঁ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ অধ্যক্ষতাত আজি জিলা আয়ুক্তৰ সভাকক্ষত জিলা পৰ্যায়ৰ জল আৰু অনাময় অভিযানৰ দ্বিতীয়খন সভা অনুষ্ঠিত হয়। সভাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তাই জিলাখনত বৰ্তমান ৰূপায়ণ হৈ থকা স্বচ্ছ ভাৰত অভিযান আৰু জল জীৱন মিছনৰ অগ্ৰগতিৰ খতিয়ান দাঙি ধৰে। সভাত জিলাখনৰ বিদ্যালয় আৰু অঙ্গনবাড়ী কেন্দ্ৰসমূহত পানী যোগান সন্দৰ্ভতো আলোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে জিলাখনৰ প্ৰতিগৰাকী নাগৰিকে যাতে এই আঁচনিসমূহৰ সুবিধা সঠিকভাৱে লাভ কৰিব পাৰে সেয়া সুনিশ্চিত কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০

ডিব্ৰুগড়ৰ অন্যতম সাংস্কৃতিক অনুষ্ঠান জনসাংস্কৃতিক সমাজৰ উদ্যোগত ৩ দিনীয়াকৈ আয়োজন কৰা আধুনিক গীতৰ কৰ্মশালাৰ আজি অন্ত পৰে। আকাশবাণী আৰু দূৰদৰ্শনৰ শিল্পী ৰুমী গোস্বামী সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰা কৰ্মশালাখনত জিলাখনৰ শতাধিক ন-শিকাৰুৱে অংশগ্ৰহণ কৰে। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনত অনুষ্ঠিত প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানত আকাশবাণীৰ তিনিগৰাকী শিল্পী ছৈয়দা জুৰি ৰহমান, কল্পনা ভাগৱতী ভট্টাচাৰ্য আৰু ৰুণজুন ফুকনক সম্বৰ্ধনা জনোৱা হয়। আকাশবাণীৰ অৱসৰপ্ৰাপ্ত কণ্ঠশিল্পী, সুৰকাৰ, সংগীত প্ৰযোজক ৰাজেন গোহাঁই সামৰণি অনুষ্ঠানত উপস্থিত থাকে।

০০০০

শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি জিলাখনৰ আয়ুক্ত আয়ুষ গাৰ্গৰ অধ্যক্ষতাত যোৱা মাহৰ অপৰাধ সন্মিলনখন অনুষ্ঠিত হয়। সন্মিলনত বিগত সময়ছোৱাত জিলাখনত হোৱা অপৰাধমূলক ঘটনা, অপৰাধৰ ধৰণ, পটভূমি, কাৰক আদি সন্দৰ্ভত বিশ্লেষণাত্মকভাৱে আলোচনা কৰা হয়। তদুপৰি ভৱিষ্যতে জিলাখনক অপৰাধ শূন্য জিলা হিচাপে গঢ়ি তোলাৰ বাবে গ্ৰহণ কৰিবলগীয়া সম্ভাব্য প্ৰতিকাৰমূলক ব্যৱস্থাৱলী তথা ভৱিষ্যৎ কাৰ্যপন্থা সন্দৰ্ভতো বিস্তৃতভাৱে আলোচনা কৰা হয়। জিলা আয়ুক্ত আৰু শিৱসাগৰৰ আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰাই এই সন্দৰ্ভত সংশ্লিষ্ট সকলো বিভাগৰ সৈতে মত বিনিময় কৰে। তেওঁলোকে লগতে জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাক সুনিশ্চিত কৰাৰ বাবে সকলো বিভাগকে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

০০০০

ঃঃ সমাপ্ত ঃঃ